**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-03-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

অসম আৰক্ষীয়ে ৬৬ শতাংশ গোচৰৰ অভিযোগনামা নিৰ্ধাৰিত সময়ৰ ভিতৰত দাখিল কৰি প্ৰশংসনীয় উদাহৰণ দাঙি ধৰা বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মত প্ৰকাশ কৰিছে। এই ক্ষেত্ৰত তেওঁ উত্তৰ-পূৰ্বাঞ্চলৰ আন আন ৰাজ্যসমূহকো অসমক অনুকৰণ কৰিবলৈ আহ্বান জনাইছে। গুৱাহাটীত কালি বিয়লি অনুষ্ঠিত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীৰ এখন বৈঠকত অংশগ্ৰহণ কৰি শ্ৰী শ্বাহে কয়, যে দেশত নতুন আইন তিনিখন ১০০ শতাংশ কাৰ্যকৰী হ'লে ৬৬ শতাংশ গোচৰৰ অভিযোগনামা আৰক্ষীয়ে ৬০ৰ পৰা ৯০ দিনৰ ভিতৰত দিব পাৰিব। অসমে ইতিমধ্যে নিৰ্ধাৰিত সময়ৰ ভিতৰত ৬৬ শতাংশ গোচৰৰ অভিযোগনামা দাখিল কৰাত সফল হোৱা বুলি তেওঁ উল্লেখ কৰে। আনহাতে উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণৰ বাবে ক্ষিপ্ৰ আৰু স্বচ্ছ ন্যায় ব্যৱস্থা নিশ্চিত কৰিবলৈ নৰেন্দ্ৰ মোদী চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলিও গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

কালিৰ বৈঠকত উত্তৰ-পূৰ্বাঞ্চলত নতুন ফৌজদাৰী আইনসমূহৰ ৰূপায়ণৰ বিষয়ে পৰ্যালোচনা কৰা হয়। গৃহ মন্ত্ৰালয়ে আয়োজন কৰা এই বৈঠকত ৰাজ্য প্ৰশাসনৰসমূহৰ শীৰ্ষ বিষয়াসকলেও অংশগ্ৰহণ কৰে। পৰ্যালোচনা সভাত গৃহমন্ত্ৰীগৰাকীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মুখ্য সচিব আৰু ডি জি পি সকলৰ উপস্থিতিত চি আই ডি অসমৰ দ্বাৰা সংকলিত নতুন ফৌজদাৰী আইনৰ মানসম্পন্ন বিধি আৰু নিয়ম শীৰ্ষক পুস্তিকাখন উন্মোচন কৰে। সভাত উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ আৰক্ষী, কাৰাগাৰ, আদালত, বিচাৰ আৰু ফৰেণচিক সম্পৰ্কীয় বিভিন্ন নতুন বিধিৰ কাৰ্যকৰিতা আৰু বৰ্তমানৰ ব্যৱস্থা সন্দৰ্ভতো পৰ্যালোচনা কৰা হয়।

oooooo

যশস্বী চলচ্চিত্ৰ নিৰ্মাতা, আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱাক কালি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে যোৰহাটত আয়োজন কৰা অনুষ্ঠানত মঘাই ওজা বঁটা প্ৰদান কৰে। পৰিষদৰ উদ্যোগত আয়োজিত পঞ্চদশ বাৰ্ষিক মঘাই ওজা দিৱসৰ অংশ হিচাপে এই বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে গামোচা, চেলেং, শৰাই, জাপি, সম্বৰ্ধনা পত্ৰ, স্মাৰক আৰু নগদ ২৫ হাজাৰ টকা। অনুষ্ঠানত পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পলাশ চাংমাই, যোৰহাটৰ বিধায়ক হিতেন্দ্ৰনাথ গোস্বামী, জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপিকা ড০ জ্যোতিৰেখা হাজৰিকাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ইপিনে গণশিল্পী মঘাই ওজা কলাক্ষেত্ৰই প্ৰতিবছৰে প্ৰদান কৰি অহা গণশিল্পী মঘাই ওজা বঁটা এই বছৰ বিশিষ্ট শিল্পী তথা আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত শিল্পী চৈয়দ চাদুল্লা লৈ আগবঢ়োৱা হৈছে। অহা ১৯ এপ্ৰিলত মঘাই ওজা কলাক্ষেত্ৰত হ'বলগীয়া বিহু সন্মিলনত এই বঁটা প্ৰদান কৰা হ'ব বুলি কলাক্ষেত্ৰ সমাজে প্ৰকাশ কৰিছে।

oooooo

লখিমপুৰ জিলাৰ নাওবৈচা পকনীয়া ঘাটত সোৱণশিৰিৰ খহনীয়াই অঞ্চলটোৰ জনসাধাৰণৰ জীৱন আৰু সা-সম্পত্তিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। খহনীয়াৰ ফলত নাওবৈচা আৰু লখিমপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত

পমুৱা খাবলু, নামেচুক, কাৰৈভুৰুকা আৰু পকনীয়া ঘাটৰ বিস্তৃৰ্ণ কৃষিভূমি, বাসগৃহ আদি নৈৰ বুকুত জাহ হৈছে। খহনীয়াৰ ফলত পাভ বনাঞ্চলৰ কেইবাশ হেক্টৰ ভূমিও সোৱণশিৰিৰ বুকুত জাহ গৈছে। নদীখনৰ তীব্ৰ খহনীয়াই সম্প্ৰতি নাওবৈচা ৰাজহ চক্ৰৰ সোঁপাৰৰ মথাউৰিটোলৈ ভাবুকি কঢ়িয়াই আনিছে। অঞ্চলটোৰ জনসাধাৰণে এই সমস্যাৰ দ্ৰুত সমাধানৰ বাবে চৰকাৰক আহ্বান জনাইছে।

oooooo

নগাঁও জিলাৰ কৰৈয়নীৰ বৰডোঙা পথাৰত যোৱা ১২ মাৰ্চৰ অনুষ্ঠিত হেজাৰী ভাওনা মহোৎসৱৰ যোৱানিশা সামৰণি পৰে। কলংপৰীয়া বাৰগঞা সমাজ আৰু বাৰগঞা মহিলা সমিতিৰ যৌথ উদ্যোগত প্ৰতি ৫ বছৰৰ মূৰে মূৰে এই ভাওনা আয়োজন কৰা হয়। ১৬ খন গাঁৱৰ জনসাধাৰণৰ একতা আৰু সম্প্ৰীতিৰ নিদৰ্শন কৰৈয়নীৰ বাৰগঞা মন্দিৰত এই উপলক্ষে প্ৰতিদিনে ধৰ্মীয় কাৰ্যসূচী লোৱা হয়। যোৱা নিশা ১১ খন ৰভাত অনুষ্ঠিত ১১ খন অংকীয়া ভাওনাৰ প্ৰদৰ্শনীয়ে সকলোকে মুগ্ধ কৰে। নতুন প্ৰজন্মৰ গায়ন-বায়ন, ভাৱৰীয়াৰ লগতে শিশু শিল্পীৰ দ্বাৰাও অংকীয়া ভাওনা পৰিৱেশন কৰা হয়। এই সমাৰোহত বটদ্ৰৱা সত্ৰৰ সত্ৰাধিকাৰ যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্ত আৰু মন্ত্ৰী কেশৱ মহন্তয়েও অংশগ্ৰহণ কৰে।

oooooo

থাইলেণ্ডৰ বেংককত যোৱা ৯ মাৰ্চৰ পৰা অনুষ্ঠিত বিংশ বিশ্ব মুৱাইথাই ফেডাৰেচন চেম্পিয়নশ্বিপৰ ১৮ বছৰ অনূৰ্ধ ৪৫ কিলোগ্ৰাম শাখাত ভাৰতক প্ৰতিনিধিত্ব কৰি অসমৰ লোপামুদ্ৰা বৰাই ৰূপৰ পদক লাভ কৰিছে। গোলাঘাট জিলাৰ সৰুপথাৰৰ ক্ৰীড়াবিদগৰাকীৰ এই সাফল্যত ৰাজ্যবাসীয়ে সন্তোষ প্ৰকাশ কৰিছে।

oooooo

অসম বাস্কেট বল সংস্থাই ভাৰতীয় বাস্কেট বল ফেডাৰেশ্যনৰ সহযোগত আজিৰে পৰা সৰুসজাই ইনড'ৰ ষ্টেডিয়ামত ২৩ বছৰ অনুৰ্দ্ধৰ প্ৰথম ৰাষ্ট্ৰীয় বাস্কেট বল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। প্ৰতিযোগিতাখনৰ আজি সন্ধিয়া উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। ২৪ মাৰ্চত এই প্ৰতিযোগিতাৰ সামৰণি পৰিব।

oooooo

সমাপ্ত